**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

গুৱাহাটীৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে এই বৃদ্ধিৰ বাবে বছৰি অতিৰিক্ত ৮ কোটি ৫০ লাখ টকা ব্যয় কৰিব।

কেবিনেটে কমনৱেল্‌থ গেমছ আৰু অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ৰাজ্যৰ ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনাইছে। একেদৰে জীৱন্ত ৰাস উদ্‌যাপন কৰা ধৰ্মীয় অনুষ্ঠানসমূহকো ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে ৰাজ্যৰ জীৱাশ্ম ইন্ধনৰ পৰিৱৰ্তে গ্ৰীন অইল বা নেপিয়াৰ ঘাহৰ পৰা তেল প্ৰস্তুতৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ বাবে ৰিলায়েন্স বায়' এনাৰ্জীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিছে। কেবিনেটে লগতে চৰকাৰী চিকিৎসালয়ৰ বাবে ঔষধ ক্ৰয়ৰ উদ্দেশ্যে ১৭৫ কোটি টকা আৰু আৰক্ষী বিভাগৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰূপায়ণ কৰি থকা মৈত্ৰী আঁচনিৰ বাবদ ১৫০ কোটি টকা অনুমোদন দিছে।

০০০০

ভাৰতবৰ্ষ এতিয়া বিশ্বৰ সন্মুখত সম্পূৰ্ণ সম্ভাৱনাৰে উদীয়মান তাৰকা সদৃশ আৰু এই সম্ভাৱনা বহন কৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নতুন প্ৰজন্মই নৱ জাগৰণ সৃষ্টিৰ বাবে আগুৱাই আহিব লাগিব বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। আজি গুৱাহাটীত কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক সমাৰ্তনত দিয়া ভাষণত উপৰাষ্ট্ৰপতিগৰাকীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতবৰ্ষ এতিয়া বিভিন্ন সুযোগ সন্ধানৰ ক্ষেত্ৰত অন্যতম কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে আৰু যুৱক-যুৱতীসকলৰ বাবে চৰকাৰে বিভিন্ন নীতিৰ আধাৰত বিকাশৰ বাবে সুযোগ প্ৰদান কৰিছে। শ্ৰীধনখড়ে কয় যে, ভাৰতবৰ্ষই শীঘ্ৰে জাপান, জাৰ্মানী আৰু অন্য বহু উন্নত ৰাষ্ট্ৰক অতিক্ৰম কৰি তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হব। এই ক্ষেত্ৰত যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উপ-ৰাষ্ট্ৰপতি গৰাকীক অসমবাসীৰ হৈ স্বাগত জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰতবৰ্ষৰ আধ্যাত্মিকতা আৰু দাৰ্শনিক পৰম্পৰাৰ চহকী ঐতিহ্যৰে সমৃদ্ধ। কৃষ্ণগুৰুৱে আধ্যাত্মিক বাণী আৰু দৰ্শনেৰে সমাজত সমন্বয় সৃষ্টি কৰি গৈছে বুলি তেওঁ মন্তব্য কৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাষণ দিয়ে।

০০০০

যোৱা ২০ অক্টোবৰৰ পৰা বন্ধ হৈ থকা মাজুলীৰ কমলাবাৰী-নিমাতীঘাট জলপথেৰে পুনৰ ফেৰী চলাচল আৰম্ভ কৰাৰ বাবে খনন কাৰ্য চলাই থকা হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ লগতে মাজুলীৰ কমলাবাৰী পাৰঘাটৰ কিছু অংশত নতুনকৈ বালিচৰ পৰা হেতুকে এই ফেৰীসেৱা বন্ধ কৰা হৈছিল। জলপথটোৰ স্পৰ্শকাতৰ অংশত জলস্তৰৰ গভীৰতা বৃদ্ধিৰ বাবে আভ্যন্তৰীণ জল পৰিবহন বিভাগে কেন্দ্ৰীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত ২৫ অক্টোবৰৰ পৰা খনন কাৰ্য অব্যাহত ৰাখিছে। ড্ৰেজাৰেৰে বালিচৰ খন্দা অংশৰে নদীখনৰ উপখুঁটিৰ পানীৰ ধাৰৰ প্ৰাৱল্য বৃদ্ধি হোৱাকৈ বাঁহ পুতি বাণ্ডলিং কৰাৰ কামো পূৰ্ণ গতিত অব্যাহত আছে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ গৌৰৱ উদযাপনৰ বাবে অসম সাহিত্য সভাই আজি গুৱাহাটী লক্ষ্মীৰাম বৰুৱা সদনত কেন্দ্ৰীয়ভাৱে ধ্ৰুপদী ভাষাৰ দিন উদযাপন কৰে। এই উপলক্ষে অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই পতাকা  উত্তোলন কৰে। আনহাতে, উপ-সভাপতি ড০ গিৰীশ সন্দিকৈয়ে স্মৃতি তৰ্পণ কৰে। দিনৰ ভাগত মূল সভা অনুষ্ঠিত হয়। এই সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাষাটোৰ ঐতিহ্য আৰু প্ৰত্যাহ্বান সম্পৰ্কে বক্তৃতা আগবঢ়ায়।

০০০০

আহমেদাবাদত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডে ভাৰতক ৭৬ ৰাণত পৰাজিত কৰে। নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। দলটোৱে নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ২৫৯ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে ৪৭ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। শৃংখলাৰ শেষৰখন খেল পৰহিলৈ দিনৰ ডেৰ বজাত অনুষ্ঠিত হব। ইতিমধ্যে শৃংখলাত দুয়োটা দলে এখনকৈ খেলত জয়লাভ কৰিছে।

০০০০

নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত জিলাখনৰ ইনডৰ ষ্টেডিয়ামত পঞ্চদশ ত্ৰৈলোক্য নাথ সোঁৱৰণী সদৌ অসম ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ৰাজ্যখনৰ কেইবাখনো জিলাৰ ৩৫০গৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। অহা ৩০ অক্টোবৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০

ভাৰতীয় তাৰকা শ্বাটলাৰ সুকান্ত কদমে জাপান পেৰা বেডমিণ্টন ইণ্টাৰনেশ্যনেল ২০২৪ প্ৰতিযোগিতাত পুৰুষৰ একক শাখাত সোণৰ পদক অৰ্জন কৰিছে। সুকান্তে একক শাখাত ভাৰতীয় শ্বাটলাৰ তৰুণক ২১-১২, ২১-১০ ব্যৱধানত পৰাস্ত কৰে। পুৰুষৰ ডাবলছ শাখাত সুকান্ত কদম আৰু দিনেশ ৰাজায়াহৰ যুটীয়ে ৰূপৰ পদক দখল কৰে।

০০০

সমাপ্ত